# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

**------------------**

ৱক্ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে শুনানি কাইলৈলৈকে স্থগিত ৰাখিছে। ইয়াৰ আগতে মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত খণ্ড আদালতে আজি দিনৰ ২ বজাৰ পৰা এই গোচৰটোৰ শুনানি আৰম্ভ কৰে। মুখ্য ন্যায়াধীশ খান্নাই ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাক ৱক্ফ সম্পত্তিৰ গৰাকীক কিদৰে ইয়াৰ মালিকনাৰ পৰা বঞ্চিত কৰিব পাৰি সেই বিষয়ে প্ৰশ্ন কৰে। এইক্ষেত্ৰত সংশ্লিষ্ট নথি-পত্ৰ কিদৰে পৰীক্ষা কৰা হ'ব সেই বিষয়েও স্পষ্ট কৰিবলৈ সৰ্বোচ্চ ন্যায়ালয়ে ছলিচিটৰ জেনেৰেলগৰাকীক নিৰ্দেশ দিয়ে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

ooooo

ৰাজ্যবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু পালন কৰিছে। বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত আজি জনসাধাৰণৰ ভিৰ পৰিলক্ষিত হৈছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হৈছে।

শিৱসাগৰৰ তলাতল ঘৰৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰে আজি মুকলি বিহু উদযাপন কৰা হয়। পুৱা বিহুৱান উত্তোলনকে ধৰি স্মৃতি তৰ্পণ, জ্যেষ্ঠজনক সেৱা, জলপান গ্ৰহণ, কণীযুঁজ আদি বিভিন্ন কাৰ্যসূচীৰে তলাতল ঘৰৰ বাকৰি জীপাল হৈ পৰে। অনুষ্ঠানত নিমাইজান হুঁচৰি দলকে ধৰি পাঁচযোৰা আমন্ত্ৰিত হুঁচৰি দল আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে নৃত্য পৰিৱেশন কৰে।

বজালী জিলাৰ অন্তৰ্গত বৰনলীকুছি গাঁৱৰ শ্ৰীশ্ৰীগোপীনাথ থানতো ৰঙালী বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। থানখনত বিহুৰ পতাকা উত্তোলন, গছপুলি ৰোপণ, গোসাঁই চাট উত্তোলন, ৭ বছৰৰ পৰা ১০ বছৰ বয়সৰ ল'ৰাৰ গৰখীয়া সেৱা অনুষ্ঠান আদিৰ লগতে চিত্ৰাংকন, ভেশছন প্ৰতিযোগিতা, তেলগছ বগোৱা প্ৰতিযোগিতা আদি কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

নলবাৰীৰ ঐতিহ্যমণ্ডিত গৰ্ডন খেলপথাৰত আজি একেলগে ৩ হাজাৰ নাচনীয়ে বিহু নৃত্য প্ৰদৰ্শন কৰি ইতিহাস ৰচনা কৰে। নলবাৰী মহকুমা বিহু সন্মিলনীৰ উদ্যোগত আয়োজিত এই নৃত্যৰ কাৰ্যসূচী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উদ্বোধন কৰে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ে পৰৱৰ্তী ১৫ দিনৰ ভিতৰত সমগ্ৰ দেশতে টোলগে'ট ব্যৱস্থাৰ পৰিৱৰ্তে নতুন জি এন এছ এছ ব্যৱস্থা প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। গ্লোবেল নেভিগেশ্চন ছেটেলাইট ছিষ্টেমৰ অধীনত যান-বাহনসমূহত এটা যতন সংযোগ কৰিব লাগিব আৰু এই যতনৰ পৰাই উপগ্ৰহৰ জৰিয়তে সংশ্লিষ্ট যান-বাহনৰ অৱস্থিতি ঠাৱৰ কৰা হ'ব। এই নতুন ব্যৱস্থাত কোনো এখন যান-বাহন টোলযুক্ত ৰাষ্ট্ৰীয় ঘাইপথেৰে ২০ কিলোমিটাৰ অতিক্ৰম কৰাৰ পাছতেই টোল ভৰিব লাগিব। এই নতুন ব্যৱস্থা প্ৰৱৰ্তনৰ পাছত টোলগে'টত যান-বাহনৰ সময় অপচয় কিছু হ্ৰাস পাব বুলি আশা কৰা হৈছে।

০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি ৰঙালী বিহুৰ তৃতীয় দিনাখন কেন্দ্ৰটোত দীৰ্ঘদিন সেৱা আগবঢ়াই যোৱা কেইবাগৰাকীও প্ৰাক্তন সতীৰ্থক একোখনকৈ ফুলাম গামোছাৰে বিহুৰ ওলগ জনায়। আজিৰ অনুষ্ঠানত প্ৰবীণ অনাতাঁৰ সম্প্ৰচাৰক আৰু শিল্পী হীৰেণ গোঁহাই, চৈয়দ ছাদুল্লা, অঞ্জনা বৰুৱা, ভূপেন গগৈ, ত্ৰিবেণী দাস গগৈ, ৰীপজ্যোতি দুৱৰা, লক্ষী দত্ত, তৰেন লেখাৰু, উৎপল ভট্টাচাৰ্য আৰু সুৰেশ হাতীমূৰীয়াই অংশগ্ৰহণ কৰি কেন্দ্ৰটোৰ বিভিন্ন অনুষ্ঠান সম্পৰ্কে মন্তব্য আগবঢ়ায় আৰু এইসমূহৰ মান উন্নত কৰাৰ বাবে কেইবাটাও বহুমূলীয়া পৰামৰ্শ দিয়ে। কেন্দ্ৰটোৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকা প্ৰমুখ্যে আকাশবাণী ডিব্ৰুগড়ত বৰ্তমান কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলে প্ৰাক্তন সতীৰ্থকেইগৰাকীক আন্তৰিকভাৱে আদৰণি জনায়।

০০০০০

অসম সহ উত্তৰ পূৰ্বাঞ্চল  চুবুৰীয়া প্ৰথম, এক্ট ইষ্ট আৰু বিমষ্টেকৰ দৰে নীতিসমূহৰ ক্ষেত্ৰত দেশৰ কেন্দ্ৰস্বৰূপ আৰু অনাগত সময়ত অঞ্চলটোৰ প্ৰাসংগিকতা বৃদ্ধি পাব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। আসন্ন উত্তৰ পূৰ বিনিয়োগকাৰী সন্মিলন ২০২৫ সম্পৰ্কে কালি ৰাষ্ট্ৰদূতসকলৰ এখন বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ড০ জয়শংকৰে উত্তৰ পূৰ উন্নয়ন মন্ত্ৰালয়ে আয়োজন কৰা এই সন্মিলনৰ জৰিয়তে অঞ্চলটোৰ  বৈশিষ্টসমূহৰ অন্বেষণ কৰিবলৈ আৰু নিজৰ উদ্যোগৰ প্ৰসাৰ সাধন কৰিবলৈ আহ্বান জনায়।

০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বাঁহবাৰীত এখন তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত আজি এটা হৰিণাৰ মৃত্যু হয়। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি উদ্যানখনৰ পৰা ওলাই অহা পহুটোৱে পথ অতিক্ৰম কৰোতেই ডাম্পাৰখনে মহতিয়াই লৈ যায়। এই ঘটনাক লৈ বিভিন্ন প্ৰকৃতিপ্ৰেমী সংগঠনে উদ্বেগ প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সংঘটিত কেইবাটাও পথ দুৰ্ঘটনাত কেইবাজনো লোকৰ প্ৰাণহানি হয়। গোলাঘাট জিলাৰ খেজুৰিতলত আজি দুখন মটৰ চাইকেলৰ মুখামুখিকৈ খুন্দা লগাৰ পাছত এখন মটৰ চাইকেল উফৰি গৈ পথটোৰে আহি থকা ডাম্পাৰৰ তলত সোমাই যোৱাৰ ফলত এজন লোকৰ থিতাতে মৃত্যু হয়। মৃত লোকজন বিপুল সোণোৱাল বুলি চিনাক্ত কৰা হৈছে।

কামৰূপ জিলাৰ ছয়গাঁৱৰ গৰু বজাৰত কালি পুৱতি নিশা এখন বাহনৰ খুন্দাত দুজন যুৱক নিহত হোৱাৰ উপৰি এজন গুৰুতৰভাৱে আহত হয়। নিহত যুৱক দুজন মেৰাজুল আলী আৰু দ্বীপ দাস বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে যুৱক দুজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে আহত যুৱকজনক ততালিকে চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

ইপিনে, নগাঁৱৰ কঠিয়াতলীৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন ট্ৰাক চালক গুৰুতৰভাৱে আহত হয়। লোকজনক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত